No. of Printed Pages : 4

**FAS**

01235

# Foundation Course : ASSAMESE

## Term-End Examination

## December, 2010

## Course Code : FAS

*Time : 2 hours* *Maximum Marks : 50*

---

**প্ৰশ্নবোৰ পঢ়ি উত্তৰ লিখক।**

---

**ক - শাখা**

**1.** সম্পূৰ্ণ বাক্যত উত্তৰ দিয়ক : **1x5=5**

(a) আফগান বীৰ শ্বেৰছাহে হিন্দু, বৌদ্ধ আৰু মুছলমান স্থাপত্য শিল্পৰ সংমিশ্ৰণেৰে সজা বিখ্যাত মছজিদটো কি ?

(b) ইন্দিৰা গান্ধীৰ ৰাজনৈতিক আদৰ্শ কি আছিল ?

(c) গান্ধাৰ চিত্ৰকলা কোন যুগত গঢ় লৈ উঠিছিল ?

(d) অসমীয়া তিৰোতাৰ সাজ-পোছাকৰ মিল কাৰ লগত দেখা যায় ?

(e) 'চামুৰাই' কবিতাৰ কবি গৰাকীৰ নাম কি ?

2. তলৰ প্ৰশ্নবোৰৰ শুদ্ধ বিকল্পত শুদ্ধ চিন (✓) দিয়ক : 1x5=5

(a) অসমৰ প্ৰাচীন নাম আছিল :

(i) কামৰূপ

(ii) প্ৰাগজ্যোতিষপুৰ

(iii) আসাম

(b) ৰামলীলাত কাৰ জুমুধি দাহন কৰা হয়

(i) কুম্ভকৰ্ণ

(ii) মেঘনাদ

(iii) ৰাৱণ

(c) ভাৰতৰ কোন যুগক সোনালী যুগ আখ্যা দিয়া হয়

(i) গুপ্তযুগ

(ii) মৌৰ্যযুগ

(iii) কুষাণযুগ

(d) হাওৰা দলং ক'ত অৱস্থিত

(i) পুৰী

(ii) কলকাতা

(iii) চেন্নাই

(e) ৰাজনৈতিক অধিকাৰসমূহৰ ভিতৰত প্ৰধান হ'ল

(i) চৰকাৰক সমালোচনা কৰাৰ অধিকাৰ

(ii) সমতাৰ অধিকাৰ

(iii) ভোটাধিকাৰ

3. ভাগৱতৰ (দশম স্কন্ধ) পঠিত কাব্যখণ্ডৰ সাৰাংশ লিখক। 5

**অথবা**

ভাৰতৰ অসহযোগ আন্দোলনৰ বিষয়ে চমুকৈ লিখক।

4. যিকোনো **পাঁচটাৰ** সংক্ষেপে উত্তৰ দিয়ক : 2x5=10

(a) ধৌলগিৰী ক'ত আৰু ইয়াৰ ভাস্কৰ্য কোন যুগৰ ?

(b) হেমচন্দ্ৰ বৰুৱাৰ অৱদান কি ?

(c) শিক্ষাৰ প্ৰতি ইন্দিৰা গান্ধীৰ দৃষ্টিকোণ কেনে আছিল?

(d) বৰপেটাৰ দৌল উৎসৱ আৰু বৃন্দাবনৰ হোলীৰ মাজত কিবা মিল আছেনে ?

(e) 'চামুৰাই' শব্দেৰে কবিয়ে কি বুজাব খুজিছে ?

(f) ৰাষ্ট্ৰৰ প্ৰধান উদ্দেশ্য কি ?

(g) বেদ আৰু ব্ৰাহ্মণ সম্পৰ্কে চাৰ্বাক সকলে কেনে ধাৰণা পোষণ কৰে ?

(h) শ্ৰীমন্ত শঙ্কৰদেৱৰ চমু পৰিচয় দিয়ক।

## খ - শাখা

5. ধ্বনি আৰু লিপিৰ সম্বন্ধৰ বিষয়ে চমুকৈ লিখক। 5

**অথবা**

তলৰ যিকোনো **পাঁচটা** শব্দৰ পদ নিৰ্বাচন কৰক :

হিমালয়, মোৰ, টিকটিকিয়া ৰঙা, লাহে লাহে, কিন্তু, হায়, দ্বাৰা, দুঃখী।

6. যিকোনো **পাঁচটা** বাক্যাংশেৰে অৰ্থপূৰ্ণ বাক্য ৰচনা কৰক : 1x5=5

পছু খেদা দি, ফুট গধূলি, ভংভঙীয়া, হাত মুকলি, সাউত কৰে, ৰান্ধনী বেলি, তিলে তিলে।

7. নিজৰ এখন প্ৰিয় খেলৰ বিষয়ে চমুকৈ লিখক। 5

**অথবা**

বাট-পথৰ দুৰৱস্থা বৰ্ণন কৰি কোনো এখন বাতৰি কাকতৰ সম্পাদকলৈ চিঠি লিখক।

8. সুস্বাস্থ্যৰ অধিকাৰী হ'ব পৰা নিয়মবোৰ সংক্ষেপে লিখক। 10

**অথবা**

মোবাইল ফোনৰ উপকাৰিতা-অপকাৰিতাৰ বিষয়ে এখন ৰচনা লিখক।

---